জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১০৯/২০২২**

## লীলাবাৰী বিমানবন্দৰত 'ফ্লাইট ট্ৰেইনিং একাডেমী' উদ্বোধন কৰিলে মুখ্যমন্ত্ৰী ড০ শৰ্মাই

### এই একাডেমীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ যুৱক-যুৱতীসকলৰ উৰণৰ আকাংক্ষা পূৰণ কৰিব ঃ মুখ্যমন্ত্ৰী

### ৰাজ্য চৰকাৰে একাডেমীৰ মুঠ আসনৰ ১০ শতাংশত প্ৰশিক্ষণৰ বাবে দৰিদ্ৰ আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীৰ মেধাৰী শিক্ষাৰ্থীসকলক পৃষ্ঠপোষকতা কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১২ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসামৰিক বিমান পৰিবহন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ সৈতে আজি লীলাবাৰী বিমানবন্দৰত উত্তৰ-পূবত পোনপ্ৰথমবাৰৰ বাবে স্থাপিত 'ৰেডবাৰ্ড ফ্লাইট ট্ৰেইনিং একাডেমী' নামৰ নতুন উৰণ প্ৰশিক্ষণ সংস্থাৰ শুভ উদ্বোধন কৰে। উল্লেখযোগ্য যে এই বিমান প্ৰশিক্ষণ একাডেমী 'আত্মনিৰ্ভৰ ভাৰত'ৰ অধীনত প্ৰথম পৰ্যায়ত আৰম্ভ হোৱা ৯টা বিমান প্ৰশিক্ষণ সংস্থাৰ অন্যতম।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই এই দিনটোক ৰাজ্যখনৰ বাবে এক ঐতিহাসিক দিন বুলি অভিহিত কৰে। তেওঁ কয় যে ভাৰতৰ স্বাধীনতাৰ সাত দশকৰ পিছত প্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত এটা উৰণ প্ৰশিক্ষণ সংস্থা প্ৰতিষ্ঠা আৰু উদ্বোধন কৰা হৈছিল। লীলাবাৰী বিমানবন্দৰত 'ৰেডবাৰ্ড ফ্লাইট ট্ৰেইনিং একাডেমী'ৰ শুভাৰম্ভ এক যুগান্তকাৰী পদক্ষেপ, যি অঞ্চলটোৰ বিমান পৰিবহনৰ ইতিহাসত সদায় স্মৰণীয় দিন হিচাপে চিহ্নিত হৈ ৰ'ব বুলি ড° শৰ্মাই মন্তব্য কৰে।

মুখ্যমন্ত্ৰী শৰ্মাই এই উপলক্ষে অসামৰিক বিমান পৰিবহন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া আৰু 'ৰেডবাৰ্ড ফ্লাইট ট্ৰেইনিং প্ৰাইভেট লিমিটেড'ৰ পৰিচালনামণ্ডলীক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ লগতে এই কথাত আনন্দ প্ৰকাশ কৰে যে ভাৰতৰ প্ৰায় ১০০ খন উৰণ প্ৰশিক্ষণ বিদ্যালয়ৰ ভিতৰত 'ৰেডবাৰ্ড ফ্লাইট ট্ৰেইনিং একাডেমী' উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন বিদ্যালয়। তেওঁ কয় যে অসম চৰকাৰে শেহতীয়াকৈ 'বেচিক ষ্ট্ৰিপ' আৰু 'আইচলেচন বে' নিৰ্মাণৰ বাবে ৮৪ একৰ ভূমি হস্তান্তৰ কৰিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে পূৰ্বে ৰাজ্যত উৰণ প্ৰশিক্ষণৰ বাবে আগ্ৰহী শিক্ষাৰ্থীসকলৰ বাবে প্ৰশিক্ষণৰ কোনো সুবিধা নাছিল। অৱশ্যে, এতিয়া ৰেডবাৰ্ডৰ এই উৰণ প্ৰশিক্ষণ সংস্থা উদ্বোধন হোৱাৰ ফলত তেওঁলোকে গৃহ ৰাজ্যতে সমগ্ৰ প্ৰশিক্ষণ সম্পূৰ্ণ কৰিব পাৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰশিক্ষণ সংস্থাই বিমান অভিযান্ত্ৰিক, বিমান পৰিকল্পনা আৰু পৰিচালনা, এভিয়েচন মেনেজমেণ্টত এমবিএ আদিৰ দৰে উৰণৰ উপৰিও বিমান চলাচলৰ ক্ষেত্ৰত থকা বিকল্প কেৰিয়াৰ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক সজাগ কৰি তুলিব।

ড° শৰ্মাই কয় যে এই উৰণ প্ৰশিক্ষণ সংস্থাত প্ৰতি বছৰে ২০০ জন প্ৰশিক্ষিত পাইলট গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। তেওঁ লগতে কয় যে লীলাবাৰীৰ এই উৰণ প্ৰশিক্ষণ সংস্থাই হোটেল আৰু

পৰিবহনৰ দৰে বিভিন্ন ক্ষেত্ৰত স্থানীয় লোকসকলৰ বাবে ব্যৱসায়ৰ সুযোগ মুকলি কৰিব। ৰাজ্যখনৰ যুৱপ্ৰজন্মৰ আশা-আকাংক্ষা পূৰণৰ বাবে, চৰকাৰে একাডেমীৰ ১০ শতাংশ আসনত প্ৰশিক্ষণ লাভৰ ক্ষেত্ৰত দৰিদ্ৰ আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীৰ মেধাৱী শিক্ষাৰ্থীসকলক পৃষ্ঠপোষকতা কৰিব বুলিও তেওঁ কয়।

অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ৰ এই নতুন পদক্ষেপ লীলাবাৰী বিমানবন্দৰৰ বাবে লাভজনক প্ৰমাণিত হ'ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই বিমানবন্দৰত গঢ় লৈ উঠিবলগীয়া অতিৰিক্ত আন্তঃগাঁথনিয়ে অঞ্চলটোৰ চাৰিওফালে অৱস্থিত সকলো ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ আৰু চাহ উদ্যোগক যথেষ্ট সহায় কৰিব। তদুপৰি, এই পদক্ষেপে অঞ্চলটোত বিনিয়োগ বৃদ্ধি কৰিব আৰু স্থানীয় লোকসকলৰ বাবে এক উন্নত মানদণ্ডৰ জীৱন ধাৰণ, নিযুক্তি আৰু বাণিজ্যৰ সুযোগ প্ৰদান কৰিব বুলি ড০ শৰ্মাই কয়। তেওঁ লগতে উল্লেখ কৰে যে এই নতুন পদক্ষেপে লখিমপুৰলৈ অহা শিক্ষাৰ্থী, কৰ্মচাৰী আৰু দৰ্শনাৰ্থীৰ অতিৰিক্ত আগমণৰ জৰিয়তে পৰ্যটন ক্ষেত্ৰখনৰ বিকাশ ঘটাব আৰু অঞ্চলটোৰ বিষয়ে দেশৰ বিভিন্ন অঞ্চলত সজাগতা বৃদ্ধি কৰিব।

লীলাবাৰী বিমানবন্দৰ উত্তৰ-পূব, অসম আৰু অৰুণাচল প্ৰদেশৰ দূৰৱৰ্তী অঞ্চলৰ বাবে এক গুৰুত্বপূৰ্ণ কৰিড'ৰ বুলি উল্লেখ কৰি ড° শৰ্মাই কয় যে যিহেতু পাছিঘাট, ডিব্ৰুগড়, তেজু, ইটানগৰৰ সৈতে লখিমপুৰৰ সংযোগ আছে, গতিকে বিমানবন্দৰটোক কেন্দ্ৰ কৰি মুম্বাই, দিল্লীৰ দৰে দেশৰ অন্যান্য মুখ্য চহৰসমূহৰ সৈতে বিমান পৰিবহনৰ ব্যৱস্থা কৰিব পৰা যায় আৰু ইয়াৰ ফলত সৰ্বসাধাৰণ লোকৰ লগতে শিক্ষাৰ্থী আৰু ব্যৱসায়ীসকল যথেষ্ট উপকৃত হ'ব।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ ক্ষেত্ৰত পূৰ্বে যাতায়াত ব্যৱস্থা এক ডাঙৰ প্ৰত্যাহ্বান আছিল। অৱশ্যে বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যকালত এই সমস্যাটো যথেষ্ট পৰিমাণে সমাধান কৰা হৈছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ দায়িত্ব লোৱাৰ পিছত উত্তৰ-পূৰ্বাঞ্চলত বিমান যোগাযোগ উন্নত কৰাৰ ক্ষেত্ৰত আগ্ৰহ প্ৰকাশ কৰি উড়ান আঁচনিৰ অধীনত উত্তৰ-পূৰ্বাঞ্চলত আঞ্চলিক যোগাযোগ বৃদ্ধিৰ বাবে ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰে আৰু ইয়াৰ ফলত অঞ্চলটোৰ জনসাধাৰণৰ বাবে বিমান ভ্ৰমণ ব্যয়সাধ্য হৈ পৰিছে। বিমান যোগাযোগ উন্নত কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে গ্ৰহণ কৰা পদক্ষেপৰ কথা উল্লেখ কৰি ড০ শৰ্মাই লোকপ্ৰিয় গোপীনাথ বিমানবন্দৰত নতুন টাৰ্মিনেল নিৰ্মাণ আৰু কেইবা দশক ধৰি নিষ্ক্ৰিয় হৈ থকা পশ্চিম অসমৰ ৰূপচী বিমানবন্দৰ পুনৰ মুকলি কৰাৰ বাবে লোৱা পদক্ষেপৰ বিষয়েও উল্লেখ কৰে। তেওঁ লগতে কয় যে ৰাজ্যত বৰ্তমানে থকা বিমানবন্দৰসমূহৰ আধুনিকীকৰণ আৰু সম্প্ৰসাৰণৰ বাবে ৰাজ্য চৰকাৰৰ এবছৰ সম্পূৰ্ণ হোৱাৰ দিনটোৰ সৈতে সংগতি ৰাখি অহা ১০ মে'ৰ ভিতৰত অসামৰিক বিমান পৰিবহন বিভাগক প্ৰয়োজনীয় ভূমি হস্তান্তৰ কৰিব।

অসামৰিক বিমান পৰিবহন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই অনুষ্ঠানটোত ভাষণ প্ৰদান কৰি কয় যে এই একাডেমীৰ উদ্বোধনে উত্তৰ-পূৰ্বাঞ্চলত প্ৰগতি আৰু সমৃদ্ধিৰ দুৱাৰ মুকলি কৰিব। তেওঁ কয় যে তেওঁৰ মন্ত্ৰালয়ে 'উড়ান আন্তঃৰাষ্ট্ৰীয় আঁচনি'ৰ অধীনত গুৱাহাটীক হানয়, বেংকক, ঢাকা, কাঠমাণ্ডুৰ সৈতে সংযোগ কৰিব। তদুপৰি, মন্ত্ৰালয়ে গেলেকি আৰু নগাঁৱত আধুনিক হেলিপোৰ্ট স্থাপনৰ বাবে পদক্ষেপ গ্ৰহণ কৰি

আছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে কয় যে পাইলটসকলৰ প্ৰশিক্ষণত প্ৰায় ৫০০ কোটি টকা বৈদেশিক মুদ্ৰা ব্যয় হয়। অৱশ্যে, তেওঁৰ মন্ত্ৰালয়ে দেশত নতুন উৰণ প্ৰশিক্ষণ একাডেমী স্থাপন কৰি এই ব্যয়ৰ পৰিমাণ হ্ৰাস কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী কিৰেন ৰিজিজু আৰু সাংসদ প্ৰদান বৰুৱাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানটোত বিধায়ক মানব ডেকা, ড° অমিয় কুমাৰ ভূঞা, ভুবন গাম, অসামৰিক বিমান পৰিবহন সচিব ৰাজীৱ বানচাল আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ/বিঃগঃ/১২ এপ্ৰিল, ২০২২**